**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-04-2026
**Time:** 1340 Hrs

***Assamese Midday Bulletin***
HEADLINES
০০০০০০০

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।
২।	ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই চেৰ্ণোবিল বিপৰ্যয়ৰ ৪০ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে পাৰমাণৱিক অস্ত্ৰৰ শান্তিপূৰ্ণ ব্যৱহাৰৰ বাবে আহ্বান জনাইছে।
৩।	বিশ্বজুৰি আজি বিশ্ব পশু চিকিৎসা দিৱস উদযাপন কৰা হৈছে।
৪।	ইজৰাইল আৰু হিজবুল্লাৰ মাজৰ উত্তেজনাৰ মাজতে পশ্চিম এছিয়াৰ কূটনৈতিক গতি-বিধি তীব্ৰতৰ হৈ উঠিছে।

*আৰু*

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পঞ্জাৱ কিংছ  দেলহী কেপিটেলছৰ আৰু ৰাজস্থান ৰয়েলছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই চেৰ্ণোবিল বিপৰ্যয়ৰ ৪০ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে পাৰমাণৱিক অস্ত্ৰৰ শান্তিপূৰ্ণ ব্যৱহাৰৰ বাবে আহ্বান জনাইছে। কালি আয়োজিত এটা বিশেষ স্মৃতিচাৰণ বৈঠকত সাধাৰণ সভাৰ অধ্যক্ষ এনালেনা বেৰবʼকে কয়, যে চেৰ্ণোবিল বিপৰ্যয়ে শান্তিপূৰ্ণ ব্যৱহাৰ সত্ত্বেও পাৰমাণৱিক প্ৰযুক্তি যে অন্য প্ৰযুক্তিতকৈ মৌলিকভাৱে ভিন্ন, সেয়া প্ৰমাণ কৰে। চেৰ্ণোবিল পাৰমাণৱিক শক্তি প্ৰকল্পৰ চাৰি নম্বৰ ৰিয়েক্টৰত ১৯৮৬ৰ ২৬ এপ্ৰিলত কেইবাটাও বিস্ফোৰণ হৈছিল আৰু ইয়াৰ ফলত ইউক্ৰেইন, বেলাৰুচ আৰু ইউৰোপৰ অন্য অংশলৈ তেজস্ক্ৰিয় বিকিৰণ সম্প্ৰসাৰিত হৈছিল।  শ্ৰী বেৰবʼকে কয়, যে ৮০ লাখৰো অধিক লোক তেজস্ক্ৰিয় ৰশ্মিৰ সংস্পৰ্শলৈ আহিছিল, হাজাৰ হাজাৰ লোক নিহত হৈছিল আৰু শিশুৰ দেহত লিউকুমিয়া সহ

বিভিন্ন ৰোগে দেখা দিছিল। তেওঁ কয়, যে ইয়াৰ বাবে ভালেসংখ্যক লোকে দীৰ্ঘকাললৈকে চিকিৎসা গ্ৰহণ কৰিবলগীয়া হৈছিল আৰু তেওঁলোকৰ জীৱন প্ৰভাৱিত হৈছিল।

ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্টনিঅ' গুটেৰেছে এই বিপৰ্যয়ক ইতিহাসৰ সবাতোকৈ বৃহৎ পাৰমাণৱিক দুৰ্ঘটনা আখ্যা দিয়ে। তেওঁ কয়, যে চেৰ্ণোবিল অকল এটা ৰাষ্ট্ৰীয় বিপৰ্যয়েই নহয়, বৰং পাৰমাণৱিক দুৰ্ঘটনাৰ ভয়াৱহ পৰিণামৰ শিকনি।

০০০০০০০

দিল্লীৰ মন্ত্ৰী পাৰভেছ চাহিব সিঙে অভিযোগ কৰিছে যে, অৰবিন্দ কেজৰিৱালৰ নেতৃত্বত হোৱা ব্যাপক দুৰ্নীতিয়ে আম আদমী পাৰ্টিৰ অভ্যন্তৰত সৎ সাংসদ আৰু নেতাসকলক একাষৰীয়া কৰি পেলাইছে। নতুন দিল্লীৰ দলীয় মুখ্য কাৰ্য্যালয়ত আয়োজিত এখন সংবাদমেলত মন্ত্ৰীগৰাকীয়ে কয়, যে আত্ম-সন্মান থকা কোনো নেতা-কৰ্মী বেছিদিন আম আদমী পাৰ্টিত থাকিব নোৱাৰে। তেওঁ লগতে দাবী কৰে যে, আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে আন্না হাজাৰেৰ দুৰ্নীতি বিৰোধী আন্দোলনৰ নীতি-আদৰ্শ মানি চলা বুলি দিল্লীবাসীক আভুৱা ভাঁৰিছিল। তেওঁ নিজকে সাধাৰণ মানুহ বুলি প্ৰতিপন্ন কৰাৰ চেষ্টা কৰি আহিছে যদিও তেওঁ আচলতে এটা বিলাসবহুল জীৱনহে  যাপন কৰি আহিছে বুলি শ্ৰীসিঙে অভিযোগ কৰে।

-বাইট (পাৰভেছ চাহিব সিং)-

এটা গুৰুত্বপূৰ্ণ ৰাজনৈতিক পৰিৱৰ্তনৰ অংশ হিচাপে আপৰ দুই তৃতীয়াংশৰো অধিক ৰাজ্যসভাৰ সাংসদে দলত্যাগ কৰি কালি বিজেপিত যোগদান কৰাৰ কথা ঘোষণা কৰিছিল। আপ এৰি বিজেপিলৈ অহা এই সাংসদসকল হৈছে ক্ৰমে, ৰাঘৱ চাধা, সন্দীপ পাঠক, অশোক মিট্টাল, শ্বাতী মালিৱাল, হৰভজন সিং, বিক্ৰম সাহনী আৰু ৰাজিন্দৰ গুপ্তা।

০০০০০০০

বিধি বলবৎকাৰী সঞ্চালকালয়, ই ডিয়ে ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলৰ সাতটা স্থানত তালাচী চলাইছিল। এই আটাইকেইটা স্থান ৰাহেজা ডেভেলপাৰ্ছ, ইয়াৰ সঞ্চালকসকল আৰু অন্যান্য বিষয়াৰ সৈতে জড়িত। ই ডিৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, ৰাহেজা ৰেভাণ্টা প্ৰকল্পৰ অধীনত ফ্লেটৰ গ্ৰাহকক প্ৰতাৰণা কৰা আৰু ফ্লেট চমজাই নিদিয়াৰ বাবে এই তালাচী অভিযান চলোৱা হৈছে।

০০০০০০০

নিৰ্বাচন আয়োগে পশ্চিমবংগ আৰু তামিলনাডুত ভোটদাতা পঞ্জীয়নৰ ১৭ (ক) প্ৰ-পত্ৰৰ পৰীক্ষা সম্পূৰ্ণ হোৱা বুলি প্ৰকাশ কৰিছে। আয়োগে ভোটদানৰ পাছৰ পৰীক্ষা আৰু ভোটগ্ৰহণৰ দিনৰ অন্য অভিলেখ সন্দৰ্ভত একিকৃত নীতি-নিৰ্দেশনা জাৰি কৰিছে। স্বচ্ছতা সুনিশ্চিত কৰাৰ লগতে ভোটগ্ৰহণ কেন্দ্ৰসমূহত অনিয়ম ধৰা পেলোৱা আৰু পুনৰ ভোটগ্ৰহণৰ প্ৰয়োজন হোৱা কেন্দ্ৰ সন্দৰ্ভত পৰামৰ্শ আগবঢ়োৱাই ইয়াৰ মূল উদ্দেশ্য। আয়োগে কয়, যে পশ্চিমবংগত প্ৰথম পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত ১৫২ টা সমষ্টিৰ আটাইকেইটাতে নথি পৰীক্ষণ সুচাৰুৰূপে সম্পন্ন হৈছে। আয়োগে প্ৰকাশ কৰা মতে ৰিটাৰ্নিং বিষয়াসকলে সাধাৰণ পৰ্যবেক্ষক আৰু ৬০০ৰো অধিক প্ৰাৰ্থী অথবা তেওঁলোকৰ প্ৰতিনিধিৰ উপস্থিতিত এই প্ৰক্ৰিয়া সম্পন্ন কৰে।

আয়োগে লগতে তামিলনাডুতো অনুৰূপ প্ৰক্ৰিয়া সম্পন্ন হোৱা বুলি জানিবলৈ দিছে। ৰাজ্যখনৰ ২৩৪ টা বিধানসভা সমষ্টিৰ আটাইকেইটাতে পৰ্যবেক্ষক আৰু এহেজাৰ ৮২৫ গৰাকী প্ৰাৰ্থী বা তেওঁলোকৰ প্ৰতিনিধিৰ উপস্থিতিত নথি পৰীক্ষা সম্পূৰ্ণ কৰা হৈছে বুলি আয়োগে প্ৰকাশ কৰিছে।

ooooooo

বিশ্বজুৰি আজি বিশ্ব পশু চিকিৎসা দিৱস উদযাপন কৰা হৈছে। এই দিৱসৰ জৰিয়তে জীৱ-জন্তু আৰু চৰাইৰ উপযুক্ত যত্ন লোৱাৰ গুৰুত্ব সন্দৰ্ভত ৰাজহুৱা সজাগতা সৃষ্টিৰ প্ৰয়াস কৰি অহা হৈছে। এই বছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে - **পশু চিকিৎসকঃ পশু স্বাস্থ্য আৰু খাদ্য সুৰক্ষাৰ অভিভাৱক**। এই দিৱস উপলক্ষে আগৰতলাৰ স্বামী বিবেকানন্দ ময়দানৰ সমীপৰ পশু চিকিৎসা পৰিষদ ভৱনৰ সন্মুখৰ পৰা আজি পুৱা এটা সমদলৰ আয়োজন কৰা হয়। এই সমদলে মহানগৰখনৰ বিভিন্ন স্থান অতিক্ৰম কৰি পশু কল্যাণ আৰু পশু চিকিৎসাত জড়িতসকলৰ বিষয়ে সজাগতা সৃষ্টিৰ চেষ্টা কৰে। এই সমদলত পশু চিকিৎসক সংস্থাৰ সদস্যসকলে অংশগ্ৰহণ কৰে।

ooooooo

আজি বিশ্ব মেলেৰিয়া দিৱস। প্ৰতিবছৰে ২৫ এপ্ৰিলত পালন কৰি অহা এই দিৱসে মেলেৰিয়া ৰোগৰ প্ৰতি সজাগতা সৃষ্টি কৰাৰ লগতে ইয়াক সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ বাবে বিশ্বব্যাপী প্ৰচেষ্টাক শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। এইবাৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে – 'মেলেৰিয়া নিৰ্মূলৰ দৃঢ় সংকল্পঃ এতিয়া আমি কৰিব পাৰো, এতিয়া আমি কৰিবই লাগিব।' দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ স্বাস্থ্য বিভাগৰ উদ্যোগত ঠায়ে ঠায়ে মেলেৰিয়া ৰোগৰ বিৰুদ্ধে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

ooooooo

ইজৰাইল আৰু হিজবুল্লাৰ মাজৰ উত্তেজনাৰ মাজতে পশ্চিম এছিয়াৰ কূটনৈতিক গতি-বিধি তীব্ৰতৰ হৈ উঠিছে। ইৰাণৰ বিদেশ মন্ত্ৰী আব্বাছ অৰাঘছিয়ে গুৰুত্বপূৰ্ণ আলোচনাৰ বাবে ইতিমধ্যে পাকিস্তানৰ ইছলামাবাদত উপস্থিত হৈছে। ইৰাণে সংঘৰ্ষৰ অৱসানৰ বাবে নিজৰ স্থিতিৰ বিষয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰিৱৰ্তে পাকিস্তানক  অৱগত কৰা হ'ব বুলি স্পষ্ট কৰি দিছে।

অৱশ্যে, আমেৰিকা যুক্তৰাষ্ট্ৰই দেশখনৰ বিশেষ কটকী ষ্টীভ উইটক'ফ আৰু জ্যেষ্ঠ উপদেষ্টা জেৰেড কুছনাৰে ইৰাণৰ প্ৰতিনিধিবৰ্গৰ সৈতে আলোচনাৰ বাবে পাকিস্তানলৈ যাব বুলি নিশ্চিত কৰিছে। আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভেন্সে পাকিস্তানলৈ নাযায় যদিও তেওঁ যিকোনো পৰিস্থিতিৰ বাবে সাজু হৈ থাকিব।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে যুদ্ধ বিৰতিৰ ম্যাদ বৃদ্ধি কৰাৰ ঘোষণা কৰা সত্বেও সংঘৰ্ষ অব্যাহত আছে। হিজবুল্লাৰ এগৰাকী সাংসদ আলী ফেয়াদে ইজৰাইলে নিৰন্তৰ গ্ৰহণ কৰা ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত ইয়াক অৰ্থহীন বুলি অভিহিত কৰিছে। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে দেশখনৰ যিকোনো ভাবুকিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ পূৰ্ণ স্বাধীনতা আছে বুলি দাবী কৰিছে। তেওঁ লগতে হিজবুল্লাই যুদ্ধ বিৰতি ভংগ কৰা বুলি অভিযোগ উত্থাপন কৰিছে। প্ৰাপ্ত বাতৰি অনুসৰি, দক্ষিণ লেবাননত ইজৰাইলে চলোৱা বিমান আক্ৰমণত কমেও ছজন লোকে প্ৰাণ হেৰুৱাইছে। লেবাননেও ৰকেট আৰু ড্ৰ'ণেৰে ইজৰাইলক আক্ৰমণৰ প্ৰত্যুত্তৰ দিছে।

০০০০০০০

প্ৰচাৰ ভাৰতীৰ আকাশবাণীয়ে মাই গভৰ সহযোগত **AKASHVANI@90- ভাৰতৰ নতুন ছন্দ** শীৰ্ষক ছিগনেচাৰ টিউন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। আকাশবাণীয়ে দেশৰ জনসাধাৰণক এই প্ৰতিযোগিতাত অংশ ল'বলৈ আহ্বান জনাইছে। এই প্ৰতিযোগিতাৰ উদ্দেশ্য হৈছে আকাশবাণীৰ অনন্য বিষয়বস্তু আৰু শ্ৰোতাসকলক প্ৰতিফলিত কৰাকৈ ইয়াৰ বিশেষ অনুষ্ঠানসমূহৰ বাবে প্ৰতিষ্ঠিত বাদ্য সংগীত সংৰচনা কৰা। যুৱবাণী আৰু স্পৰ্টছ স্কেন অনুষ্ঠানৰ বাবে ছিগনেচাৰ টিউন স্পন্দনশীল আৰু ছন্দময় হ'ব লাগিব। পৰিয়াল কল্যাণ আৰু মহিলাৰ অনুষ্ঠানৰ বাবে ছিগনেচাৰ টিউন মধুৰ আৰু সবল হ'ব লাগিব। একেদৰে ৰাষ্ট্ৰীয় আলোচনী, সাহিত্য, সংস্কৃতি, চিত্ৰ, বিজ্ঞান, যুৱ ভাৰতী আদি অনুষ্ঠানৰ বাবে সংস্কৃতিৰ সৈতে শিপা সংলগ্ন তথা বৌদ্ধিক আৰু প্ৰেৰণাদায়ক ছিগনেচাৰ টিউন হোৱা উচিত। ছিগনেচাৰ টিউনৰ সময় ২০ৰ পৰা ৪০ ছেকেণ্ডৰ ভিতৰত হ'ব লাগিব আৰু এয়া কেৱল বাদ্য সংগীতহে হ'ব লাগিব, কোনোধৰণৰ গীত বা হামিং হ'ব নালাগিব। আকাশবাণী প্ৰচাৰ ভাৰতীয়ে মাই গভৰ সহযোগত এটা জিংগল প্ৰতিযোগিতাৰো আয়োজন কৰিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। বিয়লি চাৰে ৩ বজাত অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন খেলত পঞ্জাৱ কিংছ আৰু দেলহী কেপিটেলছ মুখামুখি হ'ব। জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত ৰাজস্থান ৰয়েলছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত যোৱাবাৰৰ বিজয়ী ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে গুজৰাট টাইটানছক ৫ উইকেটত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত